# কৃপাবৰ বৰুৱাৰ উইল

এইখনেই মোৰ শেষ উইল (will) আৰু ইচ্ছাপত্ৰ (টেষ্টামেণ্ট)।

ইয়াৰ দ্বাৰাই মই আগেয়ে কৰা এটাইবোৰ উইল ৰদ কৰিলোঁ।

মই মোৰ বৰঘৈণী শ্ৰীমতী সুকৃতি দেৱীক আৰু সৰুঘৈণী শ্ৰীমতী দুষ্কৃতি দেৱীক মোৰ এক্-জিকিউটিক্স অৰ্থাৎ ইচ্ছাপত্ৰানুযায়ী কাৰ্য নিৰ্বাহিকা পাতিলোঁ। আৰু মই সতিনীয়েকক এই আদেশ দি যাওঁ যে মই মৰি যোৱাৰ পিছত মোৰ যি যথাৰ্থ ধাৰ-ঋণ থাকিব সেইবোৰ দুইজনীয়ে মিলিজুলি যিমান সোনকালে পাৰে মাৰিব। তাৰ নিমিত্তে তেওঁলোকৰ হাতত ধন-বিত নাথাকিলে, পৱিত্ৰতা তেওঁলোকে লাগে যদি লোকৰ ঘৰত গোলামি কৰিও ধন ঘটি সেই কাৰ্য সম্পাদন কৰিব।

এই উইলৰ দ্বাৰাই মই তলত লেখা মোৰ স্থাবৰ, অস্থাবৰ সম্পত্তি কেইপদ মোৰ দেশী ভাই অসমীয়া মনুহক give devise and bequeath কৰিলোঁ, অৰ্থাৎ দান কৰিলোঁ।

(১) পৰশুৰাম কুণ্ডৰ পৰা ধুবুৰীলৈকে মাছ, মগৰ, পহু, শিহু, বালি, চাপৰি, কঁহুৱা খাগৰিৰে আৰু পানীৰ যুৰলিত থকা নানা গঢ়ীয়া, নানা বৰণীয়া শিলগুটিবোৰেৰে সৈতে ব্ৰহ্মপুত্ৰ নৈখন।

(২) ভুৱনেশ্বৰী মন্দিৰেৰে সৈতে কামাখ্যা পৰ্বতটো। উমানন্দ, হাজো আৰু অশ্বক্লান্তৰ পৰ্বত কেইটা। গুৱালপাৰাৰ পৰ্বতৰে পৰা আৰম্ভ কৰি গুল্ম, লতা, ফল, ফুল গছেৰে সৈতে শিঙৰি-পৰ্বত, শিলঘাটৰ বিশ্বনাথৰ আৰু তেজপুৰৰ পৰ্বতবিলাক।

(৩) গোটেই অসম-উপত্যকাৰ বগা, ক'লা, হালধীয়া, ৰঙা, সেউজীয়া, মুগা আৰু পখৰাচিতৰা চৰাইবিলাক, যি গান গাব পাৰে, কল্কলাব পাৰে, চেচেঁয়াব পাৰে আৰু নাচিব পাৰে।

(৪) অসমৰ পথাৰত উৰি ফুৰা নানা বৰণীয়া পখিলাবিলাক, হাবিৰ নানা ঠগীয়া ফলবিলাক, বতাহত ৰিব্ ৰিব্‌কৈ লৰা জৰি আৰু আঁহত গছৰ কুঁহিপাত-বিলাক।

(৫) পথাৰত থোক মেলা, মেলিব খোজা, মেলি পৈণত হোৱা, পকা থোকেৰে থিয় হৈ থকা আৰু বতাহত টৌ খেলোৱা ধানবোৰ। সৰিয়হৰ ফুলবোৰ আৰু চিবাটিৰে গুটি লগা মাহ-গছবোৰ। লাই, লফা, ঢেকীয়া, বাবৰি পালেঙৰে শাকবোৰ। আম, কঁঠাল, জামু, নেমু, সুমথিৰা, ৰেবাব আৰু তামোল-পাণেৰে গৃহস্থৰ বাৰীবোৰ।

(৬) সোৱণশিৰী, দিখৌ, দিহিং, দিমৌ আদি নৈবোৰ। সৰু সৰু জানবোৰ, ঝৰণাবোৰ আৰু পানীৰ সোঁত লাগি থৰ্‌বৰ্‌কৈ কঁপা নল খাগৰিবোৰ।

(৭) শিলৰ ওপৰেদি বৈ হুৰ্ হুৰ্ কৰে পৰা সন্ধ্যা ললিতা কান্তা নামে পানী তিনধাৰাৰে আৰু জিলীৰ মাতেৰে হিয়া বাজি উঠা প্ৰকাণ্ড গছ আৰু ডাঙৰ ডাঙৰ শিলেৰে সৈতে বশিষ্ঠাশ্ৰমখন।

(৮) বগী খাছিয়ানীবিলাকেৰে জক্‌মক্ কৰে ফুলি থকা ছিলং পৰ্বতটো।

(৯) শিৱসাগৰত সোণৰ কলচীৰে শিৱদৌলটো, ত্ৰিশূলেৰে বিষ্ণু দৌলটো আৰু দেৱীদৌলটো, নিৰ্মল চপ্‌চপীয়া পানীৰ ওপৰত বনৰীয়া ৰাজহাঁহ চৰি ফুৰা বৰপুখুৰীটো।

(১০) তাঁতৰ পৰা ওলোৱা ন খনীয়া-কাপোৰ, চেলেং-কাপোৰ আৰু গামোচাৰে সৈতে, হেচাপিঠা, সুতুলিপিঠা, ঘিলাপিঠা, লাওপিঠা, ফেনিপিঠা, তিলৰ লাৰু, দৈগাখীৰ, গুড়, সান্দহ আৰু চিৰাৰে সৈতে আৰু 'দেউতাৰ পদূলিত গোন্ধাইছে মধুৰী, কেতেকী মলেমলায়' এই নামেৰে শেহ নিশা গোৱা হুঁচৰিৰে সৈতে ৰঙালী চ'তৰ বিহুটো। চুঙাদিয়াপিঠা, সিজোৱা মোৱাআলু, চিনাআলু আৰু কাঠআলু আৰু মেজিৰে সৈতে ম'হ-যুঁজ, হাঁহকণী-যুঁজ আৰু

পাঁচিৰে সৈতে ভোগালী মাঘ বিহুটো। আকাশবাঁতিৰে সৈতে কঙালী কাতি বিহুটো।

(১১) পাভ মাছত টেঙা দিয়া লফা-শাকৰ আঞ্জা কাৰৈমাছ দি ৰন্ধা বাবৰি শাকৰ আঞ্জা। জালুকীয়াকৈ আৰু ঔটেঙা দি থপ্থপীয়াকৈ ৰন্ধা কচুথোৰৰ আঞ্জা, চোকোৰা গুচুৱা কেঁচা মগুমাহত ঔটেঙা দি ৰন্ধা আঞ্জা, খাৰণি আৰু চেকুৰা পচলা দি ৰন্ধা মাটিমাহৰ আঞ্জা, নেমুটেঙা দি ঢেকীয়াশাক ভজা আৰু মাগুৰমাছ ভজা, চিতল মাছৰ কলঠী; ৰৌমাছৰ মূৰ আৰু পেটী; পকা খৰিচা, শুকান খৰিচা; বগৰীৰ গুৰি; আমৰ গুৰি; খাৰলি কাহুদি, পাতত দিয়া পোনা মাছ আৰু খৰিকাত দিয়া পুঠিমাছ।

(১২) নৈৰপাৰৰ হাবিত ম'হৰ পিঠিত উঠি ৰিঙিয়াই গোৱা ম'হগুৱালৰ গীতবোৰ আৰু সিপাৰৰ পৰা সেইদৰে আন এটা ম'হগুৱালে দিয়া ৰিণি ৰিণি কাণত পৰা তাৰ উত্তৰবোৰ। তিৰুতামানুহে জাউৰিয়ে জাউৰিয়ে গোৱা বিয়াৰ নাম। বিয়াহ গোৱা, ওজাগোৱা।

(১৩) ভাৱনাৰ ছালি নাচ, জুমুৰ নাচ, বৰধেমালি, সৰুধেমালি।

(১৪) বজাৰৰ মাছ মাৰোঁতা আৰু বেচোঁতাবিলাকৰ ঘৈণীয়েকহঁতৰ দ্বন্দ্ববোৰ।

(১৫) গোটেই অসমত প্ৰচলিত ইটোৰ সিটোৰ ভিতৰত দ্বন্দ্ব-খৰিয়ালবোৰ আৰু ঘাইকৈ চকুপোৰা স্বভাৱটো।

(১৬) চিলিমত খোৱা আৰু ঘুটি খোৱা ভাং। মলি আৰু দুটিকিৰকৈ খোৱা কানি। গিলাছ আৰু বাটিত ঢালি খোৱা লাওপানী আৰু ফটিকা।

ওপৰত লিখা কথাবোৰৰ সাব্যস্ত প্ৰমাণ স্বৰূপে মই শ্ৰীকৃপাবৰ বৰবৰুৱাই মোৰ এই শেহ উইল আৰু ইচ্ছাপত্ৰ আজি ১৮৩১ শকৰ ৩০ চ'তত এই মোৰ চহী কৰিলোঁ।

শ্ৰীকৃপাবৰ বৰুৱা

সাক্ষী ঃ-
শ্ৰীতিনকড়ি গুহ
শ্ৰীহৰিদাস পাক্ড়াশি।

---

টোকা ঃ মূল পুথিত থকা আৰু ইয়াৰ আগৰ 'কদমকলি'ত অন্তৰ্ভুক্ত কৰা কবিতাকেইটা বাদ দিয়া হৈছে— সম্পাদক।